**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। ভাৰত আৰু ইউৰোপীয় সংঘৰ শক্তিশালী সম্পৰ্কই যোগান শৃংখলাত সহযোগিতা কৰি বিশ্ব অৰ্থনীতিক সংকটমুক্ত কৰি তুলিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জম্মু-কাশ্মীৰৰ ডোডা জিলাত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ভাৰতীয় সেনাৰ প্ৰতি শোক প্ৰকাশ কৰিছে।

৩। ভাৰতৰ দক্ষতা আৰু কাৰিকৰী তথা বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ পৰিৱেশ তন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত সহযোগিতা লাভ কৰিবলৈ দক্ষতা বিকাশ আৰু ঔদ্যোগীকৰণ মন্ত্ৰালয়ে আজি বিশ্ব অৰ্থনৈতিক মঞ্চৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে।

*আৰু*

৪। মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ এখন খেলত আজি ইউ পি ৱাৰিয়ৰ্ছ, গুজৰাট জায়ণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰত  ইউৰোপীয় সংঘৰ শক্তিশালী সম্পৰ্কই যোগান শৃংখলাত সহযোগিতা কৰি বিশ্ব অৰ্থনীতিক সংকটমুক্ত কৰি তুলিব আৰু সৰল বাণিজ্য, গতিশীলতা আৰু নিৰাপত্তাৰ আংশীদাৰিত্বৰ জৰিয়তে বিশ্ব অৰ্থনীতিত সুস্থিৰতা প্ৰদান কৰিব। নতুন দিল্লীত ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূতসকলৰ সৈতে মত বিনিময় কৰি ড০ জয়শংকৰে অস্থিৰতা আৰু অনিশ্চয়তাক নতুন স্বাভাৱিক বিষয় হিচাপে লৈ বিশ্বৰ বৰ্তমানৰ স্থিতি বিষয়ত আলোচনা কৰে। সামাজিক মাধ্যমযোগে প্ৰেৰণ কৰা এটা বাৰ্তাত তেওঁ কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ সম্পৰ্ক সুদৃঢ় কৰাৰ পক্ষে তেওঁ সৰল যুক্তি আগবঢ়াই যিয়ে পাইৰেচী বিৰোধী অভিযান, উন্নয়নমূলক প্ৰকল্প ইত্যাদিৰ দৰে ৰাজহুৱা সামগ্ৰী বিতৰণ কৰি আন্তঃৰাষ্ট্ৰীয় সমাজক আস্বস্ত প্ৰদান কৰিব। গণৰাজ্য দিৱস উদযাপনৰ বাবে ইউৰোপীয় পৰিষদৰ সভাপতি এণ্টনিঅ' কোষ্টা আৰু ইউৰোপীয় আয়োগৰ সভাপতি উৰচুলা ভ'ন ডেৰ লেয়ানৰ ভাৰত ভ্ৰমণৰ বাবে আগ্ৰহী বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু-কাশ্মীৰৰ ডোডা জিলাত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ১০ জন ভাৰতীয় সেনাৰ প্ৰতি শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সেনাৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। আহত সেনাসকলৰ উন্নতমানৰ চিকিৎসাৰ বাবে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ইপিনে, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও দুৰ্ঘটনাটোত প্ৰাণ হেৰুওৱা সেনাসকলৰৰ প্ৰতি শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে প্ৰেৰণ কৰা এটা বাৰ্তাত শ্ৰী সিঙে কয়, যে আহত জোৱানসকলক চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু সম্ভৱপৰ উন্নতমানৰ চিকিৎসাৰ নিশ্চিতি প্ৰদানৰ বাবে প্ৰয়োজনীয় সকলো নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০

ভাৰতৰ দক্ষতা আৰু কাৰিকৰী তথা বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ পৰিৱেশ তন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ দক্ষতা বিকাশ আৰু ঔদ্যোগীকৰণ মন্ত্ৰালয়ে আজি বিশ্ব অৰ্থনৈতিক মঞ্চৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। মন্ত্ৰালয়ে জনোৱা অনুসৰি এই চুক্তিৰ জৰিয়তে বিশ্ব অৰ্থনৈতিক মঞ্চৰ সৈতে সহযোগিতা স্থাপন কৰি দেশত দক্ষতা বিকাশৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। এই পদক্ষেপে দক্ষতা বিকাশৰ ক্ষেত্ৰত থকা ব্যৱধান দূৰ কৰি দেশৰ যুৱ প্ৰজন্মক নিয়োগৰ ক্ষেত্ৰত অধিক যোগ্য কৰি তুলিব। এই বুজাবুজিৰ চুক্তিয়ে কৃত্ৰিম বুদ্ধিমত্তা, সেউজ শক্তি, ৰবʼটিকছ্ আৰু উন্নত উৎপাদনৰ ক্ষেত্ৰত ভাৰতত থকা প্ৰতিভাসমূহ বিকশিত হোৱাত সহায় কৰিব বুলিও মন্ত্ৰালয়ে লগতে উল্লেখ কৰে। এই পদক্ষেপ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি দক্ষতা বিকাশ আৰু ঔদ্যোগীকীকৰণ মন্ত্ৰী জয়ন্ত চৌধৰীয়ে কয়, যে বিশ্ব অৰ্থনৈতিক মঞ্চৰ সৈতে স্বাক্ষৰিত এই চুক্তিয়ে ভৱিষ্যতৰ বাবে সাজু, বিশ্বব্যাপি প্ৰতিযোগিতামূলক কৰ্মশক্তি গঢ়ি তোলাৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে ভূমিকা গ্ৰহণ কৰিব।

০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী গ্ৰাম চৰক আঁচনিৰ চতুৰ্থ সংস্কৰণৰ অধীনত জম্মু-কাশ্মীৰ, চত্তিশগড়, উত্তৰাখণ্ড, ৰাজস্থান, হিমাচল প্ৰদেশ আৰু ছিকিমৰ বাবে ১০ হেজাৰ কিলোমিটাৰৰো অধিক পথ প্ৰকল্পত অনুমোদন জনাইছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে জনোৱা অনুসৰি এই পথসমূহ নিৰ্মাণৰ লগে লগে পূৰ্বতে বিচ্ছিন্ন হৈ থকা প্ৰায় তিনি হাজাৰ ২৭০ টা বাসস্থানে সংযোগ আৰু জৰুৰীকালীন সেৱাৰ সবিধা লাভ কৰিব। মন্ত্ৰালৰ মতে এই আঁচনিৰ জৰিয়তে সংযুক্ত বাসস্থানসমূহলৈ ৬২ হাজাৰ ৫০০ কিলোমিটাৰ যিকোনো বতৰৰ বাবে উপযোগী পথৰ সংযোগ স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মন্ত্ৰালয়ে জনাই যে, দূৰৱৰ্তী পাহাৰৰ পৰা ভৈয়াম অঞ্চললৈ বিয়পি থকা পথসমূহৰ কেৱল আন্তঃগাঁথনি উন্নয়নতে নহয় বৰঞ্চ অন্য বহুতো সুযোগৰ বাট মুকলি কৰাৰ লগতে সৰ্বাংগীন উন্নয়নত উল্লখযোগ্য ভূমিকা গ্ৰহণ কৰিব।

০০০০

কৰ্কট ৰোগীসকলৰ জৰুৰীকালীন প্ৰয়োজনীয়তা পূৰণৰ বাবে ভাৰতে আজি কাবুললৈ সাত দশমিক পাঁচ টন জীৱন ৰক্ষাকাৰী ঔষধৰ যোগান ধৰে। ভাৰত আফগানিস্তানৰ জনসাধাৰণক সহায় কৰিবলৈ সদাপ্ৰস্তুত বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বিজ্ঞাপ্তিত প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কয়, যে ক্ৰীড়া হৈছে চৰিত্ৰ গঠন, শক্তিশালী নেতৃত্ব প্ৰদান কৰা আৰু ৰাষ্ট্ৰীয় প্ৰগতিৰ অৰ্থে ইন্ধনৰ যোগান ধৰা এটা মাধ্যম। আজি মুম্বাইত যুৱ নেতা মঞ্চই আয়োজন কৰা যুৱ ক্ষমতা ক্ৰীড়া সন্মিলনত ভাৰ্চুৱেল মাধ্যমেৰে যুৱ ক্ৰীড়াবিদসকলক ভাষণ প্ৰদান কৰি শ্ৰী মন্দাভিয়াই কয়, যে অনুশাসন আৰু সততাৰ প্ৰতি দায়বদ্ধ খেলুৱৈসকলে বিশ্বক নেতৃত্ব দিব পৰাকৈ এটা জাতি গঢ় দিয়াত সহায় কৰে। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বই ক্ৰীড়া আৰু ক্ৰীড়া সম্পৰ্কীয় কাৰ্যকলাপক প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

০০০০

ঝাৰখণ্ডৰ পশ্চিম সিংভূম জিলাৰ সাৰান্দা বনাঞ্চলত আজি পুৱা সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত সংঘৰ্ষ হয়। এই সংঘৰ্ষত ১০ জনতকৈ অধিক মাওবাদী নিহত হয়। নিহতসকলৰ ভিতৰত গিৰিদিহ জিলাৰ মাওবাদী নেতা পাটিৰাম মাঝি ওৰফে অনলদা অন্যতম। উল্লেখযোগ্য যে গিৰিদিহ, ওকাৰো, হাজাৰিবাগ, খুণ্টি, চেৰাইখেলা, খাৰচোৱান আৰু পশ্চিম সিংভূমত প্ৰায় দুই দশক ধৰি মাওবাদী কাৰ্যকলাপত সক্ৰিয় হৈ থকা অনলদাক নিৰাপত্তা বাহিনীক আক্ৰমণ, আই ই ডি বিস্ফোৰণ আৰু ধন দাবীকে ধৰি কেইবাটাও গোচৰত সন্ধান কৰি থকা হৈছিল।

০০০০

ৰাষ্ট্ৰপতি ভৱনৰ চৌহদৰ ভিতৰত থকা অমৃত উদ্যান অহা ৩ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। ৰাষ্ট্ৰপতিৰ সচিবালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই অমৃত উদ্যান খোলা থাকিব। প্ৰতি দেওবাৰে উদ্যানখন বন্ধ থাকিব। জনসাধাৰণে বিনামূলীয়াকৈ উদ্যানত প্ৰৱেশ কৰিব পাৰিব। তদুপৰি ***visit.rashtrapatibhavan.gov.in*** ৱেবচাইটৰ জৰিয়তে আগতীয়াকৈ টিকট বুক কৰিব পাৰিব।

০০০০

বিগত দশকত বিকাশ আৰু ব্যাপক ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনিৰ বলত বিকাশশীল মৰ্যাদাৰ পৰা গুৰুত্বপূৰ্ণ গোলকীয় অৰ্থনৈতিক শক্তিৰূপে ভাৰতৰ ৰূপান্তৰ ঘটিছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডু আৰু গুজৰাটৰ উপ-মুখ্যমন্ত্ৰী হৰ্ষ ছাংভিয়ে কালি ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক সন্মিলনত এই কথা প্ৰকাশ কৰে। শ্ৰীনাইডুৱে কয় যে ভাৰত সম্প্ৰতি গোলকীয় অৰ্থনৈতিক শৃংখলাৰ বাবে অপৰিহাৰ্য হৈ পৰিছে আৰু দেশখনক এতিয়া আৰু বিকাশশীল
অৰ্থব্যৱস্থাৰূপে পৰিভাষতি কৰিব পৰা নাযায়। তেওঁ কয় যে ভাৰত আস্থা, আৰোহণ আৰু উদ্ভাৱনৰ সংগমস্থলীত থিয় হৈ আছে। ডিজিটেল পৰিচয়, বাস্তৱিক সময়ভিত্তিক ধনাদায় প্ৰণালী আৰু সন্মতি ভিত্তিক তথ্য শ্বেয়াৰৰ দৰে ব্যৱস্থাই ভাৰতীয় অৰ্থ ব্যৱস্থাক উপকৃত কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ'য়ে নতুন দিল্লীৰ কৰ্তব্যপথ আৰু ভাৰত পৰ্বত অনুষ্ঠিত হ'বলগীয়া গণৰাজ্য দিৱসৰ কুচকাৱাজত এই বৰ্ষৰ ৰাষ্ট্ৰীয় নিৰাপত্তা বিষয়ত ইয়াৰ উদ্ভাৱনসমূহ প্ৰদৰ্শন কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি এই ব্যৱস্থাসমূহ হৈছে, Long Range Anti-Ship Hypersonic Missile আৰু DRDO Tableau- Naval Technologies for Combat Submarines । উল্লেখযোগ্য যে প্ৰথমটো মিচাইল হৈছে থলুৱা এভিঅনিক্স ব্যৱস্থা আৰু উন্নতমানৰ চেনচৰ পেকেজ থকা প্ৰথমটো হাইপাৰছনিক গ্লাইড মিছাইল। আনহাতে Naval Technologies for Combat Submarines এ ইয়াৰ থলুৱাভাৱে নিৰ্মাণ কৰা ব্যৱস্থাসমূহ চলিত মাহৰ ৩১ তাৰিখলৈকে লালকিল্লাত প্ৰদৰ্শন কৰিব। কুচকাৱাজৰ সময়ত অন্যান্য মিছাইল প্ৰদৰ্শনৰ উপৰি ডি আৰ ডি অ'ই উদ্ভাৱন কৰা আন আন ব্যৱস্থাসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০

মহিলা প্ৰিমিয়াৰ লীগ ডব্লিউ পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ এখন খেলত আজি ইউ পি ৱাৰিয়ৰ্ছ, গুজৰাট জায়ণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বডোডৰাৰ কোটাম্বী ষ্টেডিয়ামত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ

হ'ব। উল্লেখযোগ্য যে, মহিলা প্ৰিমিয়াৰ লীগ ২০২৬ৰ খেলসমূহ দুখন চহৰত অনুষ্ঠিত হৈছে। নৱীমুম্বাইত অনুষ্ঠিত হ'বলগীয়া খেলখন সম্পূৰ্ণ হোৱাৰ পিছত বাকী পাঁচোটা দলৰ খেলসমূহ গুজৰাটলৈ স্থানান্তৰ কৰা হৈছে।

০০০০

জল জীৱন মিছনৰ সমুদায় আধাৰিত ৰূপায়ন আৰু অংশীদাৰমূলক জল প্ৰশাসনৰ প্ৰতিশ্ৰুতিবদ্ধতা সুদৃঢ় কৰি চৰকাৰে আজি সুজল গাওঁ সংবাদৰ তৃতীয় সংস্কৰণৰ আয়োজন কৰে। ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠিত এই মত বিনিময় অনুষ্ঠানত ৰাজ্য আৰু কেন্দ্ৰীয় শাসনৰ অঞ্চলসমূহৰ গাওঁ পঞ্চায়তৰ প্ৰতিনিধি, গ্ৰাম্য জল আৰু অনাময় সমিতিৰ সদস্য, মহিলা আত্মসহায়ক গোট আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ খোৱা পানী আৰু অনাময় বিভাগৰ সচিব অশোক মিনাই খোৱা পানী যোগানৰ ক্ষেত্ৰত গাওঁ পঞ্চায়তৰ দায়বদ্ধতা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে পঞ্চায়তসমূহক এই আঁচনিৰ সময়মতে ৰূপায়ন নিশ্চিত কৰা আৰু ইয়াৰ পৰ্যালোচনাৰ বাবে লোক জল উৎসৱ অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। জল শক্তি মন্ত্ৰালয়ে জনোৱা মতে সুজল গাওঁ সংবাদৰ তৃতীয় সংস্কৰণত ৩ হাজাৰৰো অধিক লোকে অংশগ্ৰহণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ